NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেলযোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

২। প্ৰধানমন্ত্ৰী গতিশক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাই আজি ৩ বছৰ সম্পূৰ্ণ কৰিছে।

৩। দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী আৰু দশেৰা পালন কৰা হৈছে।

৪। ভাৰত আৰু বাংলাদেশৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল হায়দৰাবাদত অনুষ্ঠিত হৈছে।

*আৰু*

৫। নিউজিলেণ্ডে আজি মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেলযোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২৫ অক্টোবৰত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ১৯৩ টা কোম্পানীয়ে বৰ্তমানলৈকে প'ৰ্টেলটোৰ জৰিয়তে প্ৰায় ৯১ হাজাৰ ইণ্টাৰ্ণশ্বিপ সুযোগ আগবঢ়াইছে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ইণ্টাৰ্ণশ্বিপ সুযোগ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে মুঠ ৮০০ কোটি টকা ব্যয় কৰা হ'ব। চৰকাৰে এই আঁচনিৰ অধীনত ৫ বছৰৰ বাবে ২১ৰ পৰা ২৪ বছৰ বয়সৰ ১ কোটি প্ৰাৰ্থীক ১২ মাহৰ ইণ্টাৰ্ণশ্বিপ প্ৰদানৰ লক্ষ্য ধাৰ্য্য কৰিছে। এই আঁচনিৰ অধীনৰ প্ৰাৰ্থীসকলে ১২ মাহৰ বাবে মাহে ৫ হাজাৰ টকা বিত্তীয় সাহায্য আৰু ছহেজাৰ টকাৰ এককালীন অনুদান লাভ কৰিব। সূত্ৰৰ পৰা জানিব পৰা মতে, দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৭৩৭ খন জিলাত তেল, গেছ্ আৰু শক্তি, ভ্ৰমণ আৰু আতিথ্য, যান-বাহন আৰু বেংকিং তথা বিত্তীয় সেৱাসহ ২৪ টা খণ্ডত ইণ্টাৰ্ণশ্বিপৰ এই সুযোগ উপলভ্য হ'ব। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে বিগত ৩ বছৰত কোম্পানীৰ সামাজিক দায়িত্বৰ অধীনত ব্যয় কৰা গড় ধনৰ ভিত্তিত শীৰ্ষ কোম্পানীসমূহ বাছনি কৰা হৈছে। এই আঁচনিত কোম্পানীসমূহৰ অংশগ্ৰহণ স্বেচ্ছামূলক। ইয়াৰ উপৰি আঁচনিৰ প্ৰতি আগ্ৰহী অন্য কোম্পানী, বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানে কোম্পানী পৰিক্ৰমা মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে আঁচনিখনত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০০০০০

বহুমুখী যোগাযোগৰ উদ্দেশ্যে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী গতিশক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাই আজি ৩ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন অৰ্থনৈতিক মণ্ডলৰ বাবে বহুমুখী যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০২১ চনৰ ১৩ অক্টোবৰত এই পৰিকল্পনা মুকলি কৰিছিল। আন্তঃগাঁথনি প্ৰকল্পৰ পৰিকল্পনা ৰূপায়ণৰ বাবে এই

পৰিকল্পনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ৪৪ টা মন্ত্ৰালয় আৰু ৩৬ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক একীকৃত কৰা হৈছে। এই আঁচনিৰ অধীনত বিভিন্ন মন্ত্ৰালয়ৰ ১৫ লাখ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ২০৮ টা আন্তঃগাঁথনি প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে।

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোয়েলে কৈছে যে, প্ৰধানমন্ত্ৰী গতিশক্তি আঁচনিয়ে আন্তঃগাঁথনি প্ৰকল্পসমূহৰ ৰূপায়ণ আৰু এনে প্ৰকল্পৰ পৰিকল্পনা প্ৰস্তুতকৰণৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিছে। তেওঁ কয় যে, বিভিন্ন মন্ত্ৰালয় আৰু ৰাজ্যৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত চৰকাৰে অধিক দক্ষ, স্বচ্ছ আৰু ফলাফলচালিত ব্যৱস্থা গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী গতিশক্তি আঁচনিৰ প্ৰভাৱত প্ৰকল্পৰ ক্ষীপ্ৰ ৰূপায়ণ, কম পৰিবহণ ব্যয় আৰু দেশৰ চুকে-কোণে উন্নত সেৱা পৰিলক্ষিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

000000000

দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী আৰু দশেৰা পালন কৰা হৈছে। ভগৱান ৰামৰ ৰাৱণৰ বিৰুদ্ধে জয়ৰ স্মৃতিত পালন কৰা দশেৰা অশুভ শক্তিৰ বিৰুদ্ধে শুভশক্তিৰ বিজয়ৰ প্ৰতীকস্বৰূপ। এই দিনটোতে ভগৱান ৰামে ৰাৱণৰ বধ কৰিছিল বুলি বিশ্বাস কৰা হয়। এই বিশ্বাসেৰে ৰাৱণ, কুম্ভকৰ্ণ আৰু মেঘনাদৰ প্ৰতিকৃতি দহনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লা ময়দানত শ্ৰীধাৰ্মিক লীলা কমিটিয়ে আয়োজন কৰা দশেৰাৰ অনুষ্ঠানত ভাগ লয়। ইফালে, শ্ৰী ৰামলীলা সমিতিয়ে দিল্লীৰ দ্বাৰকাৰ ১০ নম্বৰ খণ্ডত ৰাৱণৰ ২১১ ফুট ওখ প্ৰতিকৃতি সাজি উলিওৱা বুলি দাবী কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজয়া দশমী উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তা যোগে কৈছে যে, এই উৎসৱে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ বিজয়ক সূচায়। তেওঁ কয় যে, এই উৎসৱৰ সৈতে মৰ্যাদা, কৰ্তব্য পৰায়ণতা, সদাচাৰ, বিনয় আৰু সাহসিক সংঘৰ্ষৰ ভালেমান প্ৰেৰণাদায়ক কাহিনী জড়িত হৈ আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে আস্থাৰ এই উৎসৱে সকলোৰে জীৱনলৈ সাফল্য, সমৃদ্ধি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সামাজিক মাধ্যমযোগে কৈছে .যে, এই উৎসৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ বাৰ্তা বহন কৰে। তেওঁ লগতে অশুভ শক্তি নাশ কৰাৰ বাবে সংকল্প গ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই বুলি কামনা কৰিছে যে, মা দুৰ্গা আৰু ভগৱান ৰামৰ আশীষেৰে জনসাধাৰণে যেন জীৱনৰ সকলো ক্ষেত্ৰতে জয়ী হয়।

000000000

ভাৰতে বাংলাদেশ চৰকাৰক বিশেষকৈ উৎসৱৰ সময়ত সকলো সংখ্যালঘূ আৰু তেওঁলোকৰ ধৰ্মীয় স্থানসমূহৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে ঢাকাৰ তান্তিবাজাৰ পূজা মণ্ডপত সংঘটিত আক্ৰমণ আৰু ছটখীৰাৰ যশোৰেশ্বৰী কালী মন্দিৰত হোৱা চুৰি কাণ্ডক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে এনেধৰণৰ ঘটনাক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে। ভাৰতে আক্ৰমণকাৰীসকলে মন্দিৰৰ ওপৰত আক্ৰমণ কৰি অপবিত্ৰ তথা প্ৰতিমাৰ ক্ষতি সাধন কৰাৰ উদ্দেশ্যে পৰিকল্পিত কৌশল অৱলম্বন কৰা দেখা পাইছে বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে।

000000000

হাৰিয়াণাৰ কেইথল জিলাত আজি এখন গাড়ী এটা দ খাৱৈত বাগৰি পৰাৰ ফলত একেটা পৰিয়ালৰ তিনিগৰাকী মহিলা আৰু চাৰিগৰাকী ছোৱালীয়ে প্ৰাণ হেৰুৱায়। বাহনখনত পৰিয়ালটোৰ ৮ গৰাকী সদস্যসহ মুঠ ৯ জন লোক আছিল। বাহনখনৰ চালকজনক উদ্ধাৰ কৰা হৈছে আৰু পৰিয়ালটোৰ ১২ বছৰীয়া এজনী ছোৱালী নিখোজ হৈ আছে। ছোৱালীজনীক বিচাৰি উলিওৱাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে,

বাবা ৰাজপুৰী মেলা অভিমুখে গৈ থকা অৱস্থাত চালকজনে নিয়ন্ত্ৰণ হেৰুওৱাৰ বাবে বাহনখন মুন্দ্ৰী গাঁৱৰ সমীপত এটা খাৱৈত বাগৰি পৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত কৈছে যে, স্থানীয় প্ৰশাসনে ৰাজ্য চৰকাৰৰ তদাৰকত থিতাতে যথাসম্ভৱ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ বাবে কাম কৰি আছে। শ্ৰীমোদীয়ে এই ঘটনাত নিহত লোকসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মেহচানাত দেৱাল খহি কেইবাগৰাকীও লোকে প্ৰাণ হেৰুওৱা ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, ৰাজ্য চৰকাৰৰ তদাৰকত স্থানীয় প্ৰশাসনে ঘটনাৰ বলি হোৱাসকললৈ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ বাবে কাম কৰি আছে। শ্ৰীমোদীয়ে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল হায়দৰাবাদত আৰম্ভ হৈছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৩ ৰাণ কৰি খেলি আছিল।

ভাৰত সম্প্ৰতি শৃংখলাত ২-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০০০০০০

নিউজিলেণ্ডে আজি শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ এৰ এখন খেলত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত শ্ৰীলংকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১১৫ ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ১৭ অভাৰ আৰু তিনিটা বলত দুটা উইকেট হেৰুৱাই ১১৮ ৰাণ সংগ্ৰহ কৰে। ইপিনে, কিছুসময়ৰ পাছত হ'বলগীয়া প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব।

০০০০০০০০০

আকাশবাণীৰ দৰভাংগাৰ জনপ্ৰিয় প্ৰাক্তন ৰেডিঅ' উপস্থাপক তথা শিল্পী ইন্দ্ৰানন্দ সিং ঝাৰ আজি পুৱা চানৌৰত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ। আকাশবাণীৰ দৰভাংগা ষ্টেচনৰ পৰা প্ৰচাৰিত হোৱা খুৰ খুৰ ভাইৰ কলম নামেৰে তেওঁৰ গ্ৰাম্য ৰেডিঅ' কথোপকথন অনুষ্ঠানটি শ্ৰোতাৰ মাজত অতি জনপ্ৰিয় আছিল। বিভিন্ন সামাজিক আৰু সাংস্কৃতিক সংগঠনৰ লোকসকলে আকাশবাণীৰ প্ৰাক্তন কৰ্মচাৰীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

০০০০০০০০০

সমাপ্ত